নিজক কেতিয়াও তুচ্ছ নকৰা আৰু প্ৰচাৰ বিমুখ ডঃ গোস্বামীদেৱে কেতিয়াও কোনো পদবী, কোনো চৰকাৰী অনুগ্ৰহ তথা বঁটাবাহনৰ প্ৰতি লালায়িত নাছিল। লালায়িত হোৱা হ'লে নিজৰ অসামান্য যোগ্যতা থকা ডঃ গোস্বামী-দেৱ অসম সাহিত্য সভাৰ সভাপতি বা শংকৰদেৱ বঁটাৰ লেখীয়া বঁটাৰ অধিকাৰী হ'ব পাৰিলে-হেঁতেন। আজিৰ বৈষয়িক তথা ভোগবাদী যুগত চৰকাৰী অনুগ্ৰহ তথা বঁটাবাহন লৈ নিজক প্ৰতিষ্ঠা কৰাৰ যি হেতা-ওপৰা আৰম্ভ হৈছে তাৰ মাজত কিন্তু ডঃ গোস্বামী দেৱ সম্পূৰ্ণ ব্যতিক্ৰম হৈ ৰ'ল।

গোস্বামীদেৱৰ মৃত্যুত অসমবাসীয়ে এগৰাকী যোগ্য পণ্ডিত-গৱেষক সাহিত্যিকক হেৰুৱালে। লোক-সংস্কৃতি গৱেষণাৰ অন্যতম বাঁটকটীয়া প্ৰয়াত গোস্বামীদেৱৰ ৰচনাৰাজিৰ এতিয়াও যিখিনি অপ্ৰকাশিত হৈ আছে তাক সংগ্ৰহ কৰি প্ৰকাশৰ দিহা কৰিব পাৰিলে তেখেতৰ প্ৰতি আমাৰ প্ৰকৃত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হ'ব। ●

"জীৱনৰ লক্ষ্য কি? আমি তিনিটা অৰ্থত এই প্ৰশ্নৰ উত্তৰ বিচাৰিব পাৰো প্ৰথম অৰ্থত তথা দাৰ্শনিক আৰু আধ্যাত্মিক অৰ্থত জীৱনৰ লক্ষ্য কি হ'ব পাৰে এই প্ৰশ্নৰ চূড়ান্ত উত্তৰ পাইছে বুলি মানুহে দাবী কৰিব নোৱাৰে। যুগ যুগ ধৰি মানুহে এই প্ৰশ্ন কৰি আহিছে আৰু ভৱিষ্যতলৈকো কৰি থাকিব। বিভিন্ন মানুহে পূৰ্বাৰ্জিত সংস্কাৰৰ বশবৰ্তী হৈ আৰু নিজৰ বিচাৰ বুদ্ধিৰে এই প্ৰশ্নৰ একোটা উত্তৰ কল্পনা কৰি লয় আৰু সেই মতে জীৱনটো যাপন কৰিবলৈ চেষ্টা কৰে। ব্যৱহাৰিক অৰ্থত জীৱনৰ লক্ষ্য হ'ল জীৱিকাৰ কাৰণে এটা উপযুক্ত বৃত্তি বাছি লৈ তাত কৃতকাৰ্য্য হোৱা আৰু নিজৰ সহজাত প্ৰতিভাৰ বিকাশ সাধনৰ কাৰণে চেষ্টা কৰা। জীৱনৰ এইটো লক্ষ্যও ব্যক্তি ভেদে আৰু প্ৰতিভাৰ তাৰতম্য অনুযায়ী বেলেগ বেলেগ হ'বলৈ বাধ্য। জীৱনৰ তৃতীয়টো লক্ষ্য ঠিক কৰো সম্পূৰ্ণ নৈতিক অৰ্থত। নৈতিক অৰ্থত জীৱনৰ লক্ষ্য হ'ল মানুহৰ সেইবোৰ গুণৰ বিকাশ সাধন কৰা— যিবোৰ গুণে মানুহক ব্যক্তি হিচাপে এজন আদৰ্শ মানুহ আৰু সমাজৰ সদস্য হিচাপে আদৰ্শ নাগৰিক হোৱাত সহায় কৰে।"

হোমেন বৰগোহাঞি

# আশাপূৰ্ণা দেৱী

শ্ৰীজয়ন্ত কলিতা
স্নাতক ২য় বৰ্ষ ( বিজ্ঞান )

অসামান্য প্ৰতিভাধৰ লেখিকা আশাপূৰ্ণা দেৱীৰ সাহিত্য মঞ্চৰ পৰা চিৰ প্ৰস্থানে বঙালী সাহিত্য জগতত এটা বিৰাট শূণ্যতাৰ সৃষ্টি কৰিলে। ৰক্ষণশীল বঙালী পৰিয়ালত জন্ম গ্ৰহণ কৰা আশপূৰ্ণা দেৱীয়ে কোনো আনুষ্ঠানিক শিক্ষালয়ত শিক্ষা গ্ৰহণ কৰিব নোৱাৰিলে। তথাপিও তেখেত স্বশিক্ষিতা মহিয়সী আৰু ভাৰতবৰ্ষৰ লক্ষ লক্ষ নাৰী পুৰুষতকৈ বেছি উচ্চ শিক্ষিতা।

মাত্ৰ পোন্ধৰ বছৰ বয়সত বিবাহ পাশত আৱদ্ধ হোৱা আশাপূৰ্ণাৰ স্বামীৰ নাম কালিদাস গুপ্ত। এগৰাকী প্ৰকৃত ভাৰতীয় নাৰী হিচাপে ঘৰুৱা কাম কাজ নিয়াৰিকৈ কৰি লেখা পঢ়াৰ নিচিনা কঠিন কামত আত্ম নিয়োগ কৰাতো সঁচাকৈ আদৰ্শনীয় আৰু তেনেকুৱা সাহসী উদাহৰণ সাহিত্য-বুৰঞ্জীত দুৰ্লভ।

আশাপূৰ্ণা দেৱীৰ ৰচনাৰ পৰিধি আৰু বিষয়বস্তুৰ গভীৰতালৈ চকু দিলে যিকোনো মানুহ বিস্ময়ত হতবাক হব। যি জনাৰ জীৱন অভিজ্ঞতা ঘৰৰ চাৰিসীমাৰ মাজত প্ৰায় সীমাবদ্ধ, তেনেকুৱা এজন ব্যক্তিৰ সাহিত্য অভিজ্ঞতাৰ পৰিধি দেখিলে যিকোনো লেখকৰ ঈৰ্ষাৰ কাৰণ হৈ উঠিব পাৰে।

আশাপূৰ্ণা দেৱীয়ে স্বামীৰ লগত মাজে মাজে বিভিন্ন ঠাই ভ্ৰমণ কৰিছিল, কিন্তু এই সীমাবদ্ধ ভ্ৰমণৰ মাজতে প্ৰকৃত শিল্পীৰ অন্তৰ্দৃষ্টিৰে প্ৰচুৰ অভিজ্ঞতা অৰ্জন কৰিছিল আৰু এই অভিজ্ঞতাসমূহক তেওঁ সমসাময়িক কালৰ শিলত ঘঁহি মচি কলাত্মক ৰূপত তুলি ধৰিছে। তেখেত নাৰীবাদী নাছিল, কিন্তু নাৰীৰ স্বতন্ত্ৰতা, মৰ্য্যাদা ৰক্ষাৰ ক্ষেত্ৰত তেখেতৰ কলম আছিল প্ৰতিবাদী। তেখেতৰ সাহিত্য ৰাজিত ফুটি উঠিছে নাৰীয়েও নাৰীক কৰিব পৰা শোষণ বঞ্চনাৰ কথা। তাৰেই আধাৰত গঢ়ি তুলিছে তেখেতৰ অনবদ্য সৃষ্টি 'প্ৰথম প্ৰতিশ্ৰুতি', 'সুবৰ্ণলতা', আৰু 'বকুল কথা' প্ৰসিদ্ধ ত্ৰয়ী উপন্যাস।

আশাপূৰ্ণা দেৱীৰ প্ৰকাশিত উপন্যাসৰ সংখ্যা ১৭৮ খন। গল্প সংকলন প্ৰায় ৩০ খন আৰু শিশু গ্ৰন্থ প্ৰায় ৪৭ খন। বহু পুৰস্কাৰেৰে আশাপূৰ্ণা দেৱী বিভূষিত। তাৰ ভিতৰত বিশেষ উল্লেখযোগ্য হ'ল ১৯৫৪ চনত কলিকতা বিশ্ববিদ্যালয়ৰ লীলা পুৰস্কাৰ, ১৯৬৬ চনত ৰবীন্দ্ৰ পুৰস্কাৰ, ১৯৭৬ জ্ঞানপীঠ পুৰস্কাৰ, ১৯৭৬ চনত পদ্মশ্ৰী উপাধি ইত্যাদি। ১৯৯৪ চনত সাহিত্য অকাডেমিৰ ফেলোশ্বিপ গ্ৰহণ কৰাৰ সময়ত আশাপূৰ্ণা দেৱীয়ে কৈছিল, 'I feel from my heart that what I have received easily out weight what I have given. But my only consulation is that I have idled my live.' সুন্দৰ আন্তৰিক অভিব্যক্তি।

# সুব্ৰহ্মনিয়ন চন্দ্ৰশেখৰ

দিগ্‌বিজয় ৰয়
স্নাতক ২য় বৰ্ষ ( বিজ্ঞান )

লাহোৰত এক সম্ৰান্ত পৰিয়ালত ১৯১০ ১৯ অক্টোবৰত. জ্যোতিপদাৰ্থ বিজ্ঞান সুব্ৰহ্মনিয়ন চন্দ্ৰশেখৰৰ জন্ম হয়। শৈশৱকালত কোনো স্কুলীয়া শিক্ষা নোলোৱাকৈ কৈশোৰত মাদ্ৰাজৰ হিন্দু হাইস্কুলত নাম ভৰ্তি হয়। স্কুলীয়া শিক্ষাৰ অন্তত মাদ্ৰাজৰ প্ৰেসিডেন্সি কলেজত তেখেতে উচ্চ শিক্ষা লাভ কৰে। সকৰে পৰা গণিত বিষয়ত ধাপ থকা সুব্ৰহ্মনিয়ন কিন্তু পিচলৈ তেখেতৰ সৰু খুৰাক ভাৰতৰ বিখ্যাত ন'বেল বঁটা বিজয়ী পদাৰ্থ বিজ্ঞানী চন্দ্ৰশেখৰ ভেংকট-ৰমনৰ বিষয় লৈ আগ্ৰহান্বিত হৈ মাদ্ৰাজ বিশ্ব-বিদ্যালয়ৰ পৰা মাত্ৰ বিশ বছৰ বয়সতে অভি-লেখকাৰী নম্বৰেৰে সৈতে ১৯৩০ চনত স্নাত-কোত্তৰ ডিগ্ৰী লৈ কেমব্ৰিজত সেই কালৰ প্ৰখ্যাত বিজ্ঞানী চাৰ আৰ্থাৰ এডিংটনৰ তত্বাৱধানত জ্যোতিবিজ্ঞানৰ 'শ্বেত বামন' নামৰ তৰা এটাৰ ওপৰত গৱেষণা কৰাৰ উদ্দেশ্যে ভাৰতবৰ্ষ ত্যাগ কৰে। ১৯৩০ চনত তেখেতে কেমব্ৰিজৰ পৰা গবেষণা শেষ কৰি পি. এইছ. ডি. উপাধি লাভ কৰে। ইয়াৰ পাচত তেখেতে ইংলেণ্ডত কৰ্ম সংস্থান বিচাৰে যদিও অনা এক কাৰণত তাত চাকৰি নোপাই ১৯০৬ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ছিকাগো বিশ্ববিদ্যালয়ৰ লগতে উইছক'নছিনত অৱস্থিত ইয়াৰ্কিছ মান মন্দিৰত সংস্থাপিত হয়। বিশাল জ্যোতিবিজ্ঞানৰ এটা শাখাতে তেখেতে আবদ্ধ নাথাকি ভিন্ন শাখা অধ্যয়ন কৰিছিল। আমে-ৰিকাই ভিন্ন সন্মানেৰে তেখেতৰ অধ্যয়নক স্বীকৃতি দিলে। ১৯৮৩ চনত তেখেতে পদাৰ্থ বিজ্ঞানৰ ন'বেল বঁটা লাভ কৰে, কেমব্ৰিজত কৰা তেখেতৰ প্ৰখ্যাত গবেষণাৰ বাবে. যি গবেষণাৰ গবেষণা পত্ৰৰ ওপৰত সুব্ৰহ্মনিয়নৰ গুৰু এডিংটনৰ বিৰূপ মতে সমগ্ৰ ব্ৰিটেনতে তেখেতে চাকৰি পোৱাত হেঙাৰ হৈছিল।

বিজ্ঞান সাধনাৰ উপৰিও তেখেতে সংগীত তথা সাহিত্য চৰ্চা কৰিছিল। **Neauton's Princia for the Common Man, Methematical Theory of Black Holes, Truth and Beanty. Aesthetics and Motivations in Science, Introduction to the Study of Stellar Structure** তেখেতৰ অমুল্য গ্ৰন্থৰাজী।

ভাৰতবৰ্ষৰ সুসন্তান এইজনা স্বনামধন্য জ্যোতি বিজ্ঞানীয়ে সমুদ্ৰৰ অতল গহ্বৰৰ পৰা মণি মুকুতা বিচাৰি আনি পৃথিৱীবাসীৰ মাজত ছটিয়াই দি গ'ল। সন্দেহ দিলে অন্য মণিক ভাণ্ডাৰৰ কথা, হয়তো আৰু বহু কিবা কিছু ই দিলেহেতেন, কিন্তু ১৯৯৫ চনৰ সেই দুৰ্ভগীয়া ২১ আগষ্ট দিনটোৱে চৌৰাশী বছৰীয়া সাধনাৰ সমাপ্ত ঘটাই আমেৰিকাৰ ছিকাগ' চহৰৰ পৰা সুব্ৰহ্মনিয়ন চন্দ্ৰশেখৰক আমাৰ মাজৰ পৰা কাঢ়ি লৈ গ'ল দৃষ্টি দিগন্তৰ সিমুৰলৈ। জানিব নৈৰ গ'ল পৃথিৱীবাসীয়ে বহু নজনা কথা।


# কবিতা কবিতা কবিতা

# সাঁথৰ

শ্ৰীবসন্ত কুমাৰ দত্ত
ভাৰপ্ৰাপ্ত অধ্যক্ষ
জৱাহৰলাল নেহৰু মহাবিদ্যালয়

এনি অহা দিনবোৰ
শেৱালীৰ সুবাসেৰে ভৰা
দুখ যদি আছিল
আছিল সিয়ো সুখ সমৃদ্ধ কৰা
আলফুলে ভৰি আছিল
সহজ সত্য বিলাসী বুকুত,
কপাহ-কোমল কলিজাত এন্তিয়া
নিৰন্তৰ উশৃঙ্খল উল্লাস
যদিওবা কেতিয়াবা ক'ৰবাত
ফুলি থাকে এডাল দুডাল
উদাসীন পুৰণি পলাশ
কোৱা হৈ থাকে সময়
বৰ দুঃসময়
আচলতে অৰ্বাচীন অনুৰ্বৰ
আপ্তবাক্য
হয়নে এয়াই বিচাৰৰ
সহজ সঁচা সমিধান,
অভিযোগ উত্থাপিত হয়
যেতিয়াই নগৰ চহৰ অথবা
নিৰিবিলি গাওঁত নিৰ্বিচাৰ
শব্দত হেৰাই কাংখিত জীৱন
শব্দই কাঢ়ি নিয়ে
শুই থকা সৰল শিশুৰ
নিস্পাপ নিশ্বাস
তেতিয়াও অলিখিত অভিধান খুলি
সপ্ৰতিভ সময়ৰ বিপৰীতে
কোৱা হয় সময় বৰ দুঃসময়
এনেদৰেই দিয়া হয় জীৱনৰ
নিৰুদ্বেগ কুটিল কৈফিয়ৎ
দিন নাইবা ৰাতিৰ সকলো শব্দই
পলকতে মচি দিয়ে শব্দ ব্ৰহ্মাৰ
অনুভৱৰ অমল ছবি
ধুসৰতাত চাক খায় ধৰণীৰ
ধুনীয়া ভাস্কৰ্য,
সপ্ৰতিভ বিমূৰ্ত্ত সময়
উভতি চোৱাৰ উপায় নাই
উভতি যোৱাৰ আহৰি নাই
জীৱন জুৰি লগা জটিল সাঁথৰ।

—The poet is elementally a goldsmith in words. He arrests the attention of the reader as he is him-Self arrested by the Sensuo's qualities of the sound of words.'
( "Arts and the man" by Irwin Edman )



# গণতন্ত্ৰৰ সন্ধানত

শ্ৰীদীপাংকৰ কলিতা
স্নাতক ১ম বর্ষ ( বিজ্ঞান শাখা )

মই কবি গভীৰ নিশাৰ
নিৰবে বহি লিখো সময়ৰ ইতিহাস।
এদিন সেই গভীৰ নিশাতেই.
জন্ম হৈছিল মোৰ দুই সন্তান
—গণতন্ত্ৰ আৰু স্বাধীনতাৰ,
চেনেহৰ দুই সন্তান মোৰ
ক'ত থম ক'ত লম।

আশাৰ সাগৰত উটি ভাহি
বুকুৰ উমেৰে গঢ়ি তুলিলে সেই সন্তান
সপোন আৰু সুবৰ কাৰেং ঘৰত থাকিব
মোৰ দুই সন্তান—গণতন্ত্ৰ আৰু স্বাধীনতা।
কিন্তু যোৱা নিশা কাৰোবাত বন্দুকৰ গুলীত
মৃত্যু হ'ল মোৰ সন্তান গণতন্ত্ৰৰ,
লগে লগে শিয়ৰি উঠিল স্বাধীনতা
হেৰাইগল মোৰ গণতন্ত্ৰ।



শুনিছো পুনৰ জন্ম লৈছে মোৰ সন্তান
গণতন্ত্ৰই আন কৰোবাৰ গৰ্ভত, কোনো অজান ৰূপত
পাৰিবনে দিব আপোনালোকে তাৰ সন্ধান ?
এতিয়া বাৰু ক'ত থাকিব পাৰে মোৰ গণতন্ত্ৰ,
চুৰিকাঘাটত আইতাৰ বুকুৰ পৰা
নে অহা তেজত থাকিব পাৰে নেকি মোৰ গণতন্ত্ৰ ?
নে যোৱা নিশা ধৰ্ষিতা হোৱা
গাভৰু গৰাকীৰ গৰ্ভত থাকিব পাৰে ?
অনাহাৰ অনিদ্ৰাত মৃত্যু হোৱা.
মাতৃ গৰাকীৰ গৰ্ভত থাকিব পাৰে নেকি
মোৰ গণতন্ত্ৰ ? □

# পোহৰ


শ্ৰীবিভূতি কলিতা
(স্নাতক ১ম বৰ্ষ · কলা শাখা)

উত্তিয়া ওচৰৰ নদীখন, পাহাৰখন আৰু
গছ-গছনি সকলোবোৰ টোপনিত লাল কাল।
কালিয়া ডাৱৰে আকাশৰ তলত
অমাৱস্যাৰ ঘিটমিটিয়া অন্ধকাৰৰ মাজত
নিৰৱ নিথৰ অৰণ্যৰ বুকুত
সংগোপনে আছোঁ মই
পোহৰৰ অপেক্ষাত।

দেহত মোৰ অন্ধকাৰৰ প্ৰচণ্ড চাপ
ৰিৰ-ৰিৰ বতাহ জাকে কাণ চুই যায়
বতাহ, অন্ধকাৰ নিৰৱ অৰণ্য কোনেও
আজি মোক প্ৰশ্ন কৰা নাই।
কালৈকে মোৰ ভ্ৰুক্ষেপো নাই
মাথোঁ অপেক্ষাত আকুল পোহৰলৈ
হেৰ দুৰ্ভগীয়া কাল ৰাত্ৰিৰ অন্ধকাৰ
মই জানো আজি যে তয়ো
পোহৰৰ অপেক্ষাত কৰিছা হাহাঁকাৰ।

— × —





# হিয়াৰ কল্লোল

শ্ৰীবিপুল বৈশ্য
স্নাতক ৩য় বাৰ্ষিক

তুমিয়েতো মোক দিছিলা দৃষ্টি, হেৰোৱা স্মৃতি
তোমাৰ মধুৰ প্ৰেৰণাত
মোৰ জীৱন অমানিশাত
জ্বলিছিল এগছি বন্তি হৈ
হৃদয় হ্ৰদত সিদিনা কিমান থৌকি-বাথৌটো
আজিও তোমাৰ হাঁহিয়ে ভাঙিছে
শুকান তপত ভেম
স্মৃতিৰ দাপোনত বাৰে বাৰে ভাঁহে
হাঁহি ভৰা মুখনি তোমাৰ
সফল বিফল বহুমূহুৰ্ত মণিৰে গাথা জীৱনৰ মালা
দোলে যে সঘনে মনত। □



## গণতন্ত্ৰ

শ্ৰীবশিষ্ঠ দেৱ শৰ্মা
উঃ মাঃ ২য় বৰ্ষ ( কলা শাখা )

একতা, সমতা আৰু ভাতৃত্বৰ
মহান মন্ত্ৰেৰ দীক্ষিত
গণতন্ত্ৰ আজি পদস্খলিত ।
ৰাজনীতিৰ মঞ্চত সাম্প্ৰদায়িকতাৰ
ভীষণ নাট্যাভিনয় ।
ধৰ্ষণ, লুণ্ঠন আৰু শোষণৰ বলি
সৰ্বহাৰা জনগণৰ প্ৰানত ।
ভয় আৰু সন্ত্ৰাসৰ চাপ ।
কলা বজাৰৰ প্ৰতিযোগিতাত
কোটিপতি, পুঁজিপতি দালালৰ
কণ্ঠত বিজয়ৰ শ্লোগান ।
নিৰ্ব্বাচনৰ সন্ধিক্ষণত দিয়া
প্ৰতিশ্ৰুতিৰ ভুৰা জালত আৱদ্ধ
নিৰক্ষৰ জনগণ ।
দলীয় স্বাৰ্থৰ হেঁচাত
মৃত্যুৰ ক্ষণ গণি থকা ভাৰতীয় গণতন্ত্ৰই
অন্তিম নিশ্বাস পেলাবলৈ
আৰু কিমান দিন ? □

## তোমাক পাবলৈ

ছাহজাহান আহ্‌মদ
উঃ মাঃ ১ম বৰ্ষ ( কলা শাখা )

শাৰদী কোমল
জোনাক মায়াৰে
মন উতলা কৰে
জুৰিটিৰ পাৰত
তোমাক পাবলৈ
মন উতলা কৰে ।।


এই বতাহ জাকে
শেৱালী ফুলৰ সুবাস আনে
এই নিয়ৰ বোৰে
তোমাৰ মনৰ বাতৰি আনে
সৌ তৰালীৰ চিলমিল
জোনাকৰ জিলমিল
তুমি কিয় দেখা নাই
তোমাক পাবলৈ মন উতলা কৰে ॥

মন কহুঁৱা বন
নিজান বনত অকলশৰে
কাৰ সপোন ছবি
জুৰিৰ নীলা পানীত ভাঁহে
সৌ সিদিনাৰ কথাবোৰ
মৰমৰ হাঁহিবোৰ
বনে বনে দেখা যায়
তোমাক পাবলৈ
মন উতলা কৰে ॥ □

# যদি তুমি মোক সোধা

এম আবদুল আউৱাল
স্নাতক ২য় বাৰ্ষিক

যদি তুমি মোক সোধা
মোৰ নিজৰ কথা, ক'বলৈ গ'লে ক'ব লাগিব
ছমৰীয়া মেলাৰ কথা। কলচি নদীত নাওঁৰে
পাৰ হোৱাৰ অভিজ্ঞতা, মই ক'বই লাগিব
সদ্য প্ৰেমত পৰা এগৰাকী বিধবা নাৰীৰ
চকুৰ কাজলৰ কথা,
পৃথিৱী সপোনৰ ইতিহাস
কিয় দিন-ৰাতিৰ আয়ুস একে নহয়, কিয় নদী শুকায়
যাৰ স'তে জড়িত আমাৰ শৈশৱৰ আনন্দ ৰাজি
দায়িত্বৰ কথা ক'বলৈ গ'লে ক'বই লাগিব
এজন চৰকাৰী বিষয়াৰ দায়িত্বহীনতাৰ কথা
শুনিব খুজিলে, মই ক'বই লাগিব
বহু নিবনুৱাৰ নিঃসংগ ৰাতিৰ কঠিন গল্প
মোক যদি সোধা কেনে আছা
অতি সহজ ভাবে ক'ব লাগিব ভালেই আছো
যদি তুমি মোক সোধা, মই বহু কথাই ক'ব লাগিব। □



# কেতেকী

প্ৰহ্লাদ ভৰালী
প্ৰবক্তা, অৰ্থনীতি বিভাগ


কাৰোবাৰ ডায়েৰী পাতত
'উনবিংশ' শিল্প হ'ল
সুখ-দুখ, হাঁহি কান্দোন,
হৰ্ষ বিষাদৰ স্মৃতি লেখা।


ডিচেম্বৰ শেষ নিশা
শ্বাসৰুদ্ধ হ'ল ছহিদৰ
ঢাকিদিলে বগা কাপোৰে।

কেতেকী জনীয়ে চকুলো টুকিছে
কিন্তু! মুখত আনন্দৰ জোৱাৰ;
জন্ম নৱীন-'বিংশ'ৰ।

# কোলাৰ কেঁচুৱা

আইৰ দুখ কোলাৰ কেঁচুৱা,
পুনঃ পুনঃ কোলাত তুলি লই। □




গল্প

# এখন ছবি আৰু ভ্যানগগ

মিচ্ গীতা ডেকা
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ ( বিজ্ঞান )

বহু ভাবি চিন্তি অৱশেষত সাৰদাই বাপু, মানে পুতেক অঞ্জনক কলে, 'বাপু যা তেনেহলে। মোৰ কথা সুধিলে কবি যে মোৰ মূৰৰ বিষ হৈছে।"

"যোৰাটো একো ডাঙৰ কথা নহয়, কিন্তু দিম কি ? যিহে ডাঙৰকৈ জন্ম দিন পাতিব ! আমাৰ দৰে মানুহ যাবলৈ লাজেই লাগে। স্কুলৰ পৰা আহোতেই দেখিছো নহয় তুপৰীয়াৰ পৰাই গাড়ীৰ লানি লাগিছে।" বাপুৱে মাত দিলে।

পুতেকৰ কথাটো অৱশ্যে সাৰদাই নভবা নহয়। কি দিম ? কি দিলে ভাল হব ? এইবোৰ সাৰদাহঁতৰ বাবে একো একোটা বৃহৎ প্ৰশ্ন। উত্তৰ বিচাৰি পাবলৈ ইহঁতৰ বহুত সময় লাগে। সাৰদাই কিছুপৰ মৌন হৈ বল। মনতে তুয়োখন ঘৰৰ মাজত তুলনা কৰি চালে। বৰাহঁতৰ ঘৰৰ লগত নিজৰ তুলনাটি কিবা যেন লাগিল, তথাপি বৰাৰ ঘৰৰ মানুহখিনি বেয়া নহয়। বিশেষকৈ বাপুৰ প্ৰতি সহানুভূতিশীল। সকলো কথা টকা পইছাৰে তুলনা নহয়। ভাবি চালে দিয়া থোৱাটো ডাঙৰ কথা নহয়। আন্তৰিকতাহে আচল কথা। বৰা মানুহজনে বাপুৰ পঢ়াৰ প্ৰতি নজৰ ৰাখে। বহুত টকা পইছা কৰিছে বুলি শুনিছো। সেইটো অৱশ্যে আমাৰ কথা নহয়। মৌনতা ভংগ কৰি সাৰদাই ক'লে, 'হেৰি নহয় বাপু এইযে তই এখন ছবি আকিছিলি .... ৰাস্তাৰ দাঁতিত বহি ভিক্ষা খোজা এহাল মাক পুতেক। পুতেকটোৱে যে কান্দি আছিল আৰু মাক জনীয়ে যে ভিক্ষাৰ পাত্ৰটো লৈ আছিল ......' অ কি হল তাতে ?

"মানে হেৰি. সেইখনেই দেখোন উপহাৰ হিচাবে দিব পাৰ। ছবিখনতো তোৰ মাষ্টাৰেও খুবেই ভাল হোৱা বুলি কৈছে...।" সাৰদাই উত্তৰ দিলে। বাপুৱে একো উত্তৰ নিদি মনে মনে থাকিল।

তাৰ মনলৈ আহিল ছবিখনৰ কথা। ছবি খন আঁকি সি পৰম তৃপ্তি লাভ কৰিছিল, সেই তৃপ্তি আছিল শিল্পী মনৰ তৃপ্তি। পিচদিনা স্কুল ছুটীৰ পাচত সি মাধব চাৰক লগ ধৰি ছবিখন দেখুৱাইছিল। মাধৱ চাৰক তাৰ খুবেই ভাল লাগে। শ্ৰেণীত পৰিপাটী কৰি পাঠদান কৰাৰ উপৰিও মাজে মাজে সাহিত্য শিল্প সম্বন্ধে বহু কথা কয়। সেইবোৰ কথাই তাক বাৰুকৈ প্ৰভাৱিত কৰে। অৱশ্যে সেই বিষয়ত তাৰ জ্ঞান তুখন এখন পুথিৰ মাজত সীমাবদ্ধ। মাধৱ চাৰে সিহতক ভিনচেণ্ট ভ্যানগগৰ বহু কথাই কৈছিল। ভ্যানগগৰ শিল্পী জীৱন মাত্ৰ দহ বছৰ ১৮৮০-১৮৯০। এই দহ বছৰৰ ভিতৰত তেওঁ আঁকিছিল এঘাৰশ

ছবি। জীৱিত কালত তেওঁৰ শিল্প কলাই সমাদৰ নাপালে। প্ৰতিভাৰ অপচয় বুলি সমকালীন শিল্প ৰসিক সকলে গগক অৱজ্ঞা কৰিছিল। অভাৱ অনাটন আৰু বিষণ্ণতাৰ মাজত তেওঁ জীৱন পাৰ কৰাইছিল। কাৰোপৰা পোৱা নাছিল সহানুভূতি। বাটৰ লৰাবোৰে পাগল বুলি উপলুঙা কৰিছিল! ৮০ জন নাগৰিকৰ আবেদনৰ ওপৰত ভিত্তি কৰি মা ৰেমিৰ উন্মাদ আশ্ৰমত বন্দী কৰি ৰখা হৈছিল। তাতে তেওঁ বহু ছবিৰ সৃষ্টি কৰিছিল। তাৰে এখন উপহাৰ হিচাপে দিবলৈ গৈছিল প্ৰধান চিকিৎসক ডাঃ ৰে লৈ। কিন্তু তেওঁ ছবিখন গ্ৰহণ নকৰি ভ্যানগগক লেভেৰা গাহৰি বুলি উপহাস কৰিছিল। কথাটো বাপুৰ মনত পৰাৰ লগে লগে মনটো সেমেকি গ'ল। তাৰো ছবিখন যদি বন্ধুৰ পিতৃয়ে তাচ্ছিল্য কৰি দলিয়াই দিয়ে। তেতিয়া কি কৰিব? মনতে বাপু এ ভাবিলে। মনতে তাৰ হাঁহি উঠিল 'কত ভ্যানগগ আৰু কত বাপু' আকৌ তাৰ মনত পৰিল মাধৱ চাৰৰ কথাবোৰ। জীৱনৰ দুৰ্যোগ-পূৰ্ণ কাল ডোখৰত ভ্যানগগৰ একমাত্ৰ আশাৰ উৎস আছিল সৰু ভায়েক থিও। চৰম নৈৰাশ্য আৰু বিষণ্ণতাৰ মুহূৰ্তত নিজৰ বুকুত গুলি কৰি আত্মহত্যা কৰিবলৈ লোৱাৰ সময়ত থিওই তেওঁক সান্ত্বনা দিবলৈ চেষ্টা কৰি কৈছিল, তোমাৰ দুৰ্দশাৰ অন্ত পৰিব। বেছি দিন নাই। কিন্তু ভ্যানগগে লাহে লাহে কৈছিল 'মোৰ বিষণ্ণতাৰ শেষ নাই।' ভায়েকৰ কোলাত মূৰ ৰাখি ভ্যানগগে শেষ নিশ্বাস ত্যাগ কৰে।

বাপুয়ে মনে মনে থকাৰ বাবে মাকে পুণৰ কলে, "বাপু, তই কি ভাবিছ, মইটো ভাবো কথাটো বেয়া নহব। কাৰণ আমিনো বৰাইঁতক কি দিব পাৰো?" সাৰদাই বিষণ্ণভাবে কলে।

'কথাটো হয়' বাপুৱে লাহেকৈ উত্তৰ দিলে। কিন্তু তেওঁলোকৰ প্ৰতিক্ৰিয়াৰ প্ৰশ্নটোহে তাৰ মনত দোলা দি থাকিল। 'বাপু তই চিন্তা কৰিব নালাগে,' মাকে কলে। "ছবিখন নিশ্চয় ভাল হৈছে কাৰণ আৰ্ট স্কুলৰ চাৰেওটো ভাল হোৱা বুলি কৈছে। তেখেতে তোক ভাল লগাবলৈ কিয় ভাল বুলি কব?" মাকৰ কথাত সি কিছু প্ৰত্যয়ৰ সুৰ শুনিলে। আৰ্ট স্কুলৰ চাৰে ছবি খন খুব ভালকৈ নিৰীক্ষণ কৰি তাৰ পিনে প্ৰশংসাসূচকভাবে চোৱা দৃশ্যটো আজিও তাৰ মানস পটত জিলিকি আছে। 'তুমি চেষ্টা কৰিলে খুব ভাল আৰ্টিষ্ট হব পাৰিবা অঞ্জন। বাস্তৱ অভিজ্ঞতাৰ পৰা বিষয়বস্তু সংগ্ৰহ কৰা আৰু তাক প্ৰত্যক্ষ উপলব্ধিৰে ছবিৰ দ্বাৰা প্ৰকাশ কৰা। তোমাৰ চিত্ৰত ফুটি উঠিছে দৰিদ্ৰ মানুহৰ দুখ যন্ত্ৰণা।' চাৰৰ বক্তব্যই তাক খুব পুলকিত কৰিছিল। বাপুৰ মনত পৰিল মাধৱ চাৰে ভ্যান-গগৰ ওপৰত কোৱা কিছু কথা। দক্ষিণ বেল-জিয়ামৰ খনি অঞ্চলত থকা সময়ত ভ্যানগগৰ প্ৰথম প্ৰত্যক্ষ পৰিচয় ঘটে দৰিদ্ৰ মানুহৰ জীৱন সংগ্ৰামৰ লগত। এই খনি অঞ্চলৰ মানুহখিনিৰ সমস্যাৰ প্ৰতি তেওঁ হৃদয় সপি দিছিল। তেওঁ আতুৰজনক সেৱা কৰিছিল, অৱহেলিত শিশু সকলক লিখা-পঢ়া শিকাইছিল, মৃত্যু শোকত ভাগি পৰা অসহায় মানুহক সান্ত্বনা দিছিল। ক্ষুধাৰ্তক দিছিল নিজৰ খাদ্য। তাৰ পৰিবৰ্তে তেওঁ এই মানুহখিনিৰ পৰা পাইছিল অকৃত্ৰিম স্নেহ। কিন্তু তাৰ বাবে ধৰ্ম প্ৰচাৰকৰ চাকৰিটো হেৰুৱাই ভ্যান-গগ সোমাই পৰে প্ৰবল সংকটৰ মাজত। সংকটৰ মাজত জীৱনৰ প্ৰয়োজনৰ বাবে শিল্পী হবলৈ

তেওঁ সিদ্ধান্ত গ্ৰহণ কৰে। কথাবোৰ ভাবি অঞ্জনৰ হাঁহি উঠিল। ছবিখনৰ লগত ভ্যানগগৰ জীৱন জিজ্ঞাসাৰ সামঞ্জস্য বিচাৰতো যেন উদ্ভূত চিন্তা। তেনে লাগিল তাৰ।

বাপুৰে তাৰ ছবিৰ মডেলটো আচম্বিতে পাই গৈছিল। দোকানৰ পৰা বস্তু অনাৰ সময়ত ৰাস্তাৰ দাঁতিত থকা ডাষ্টবিনটোৰ ওচৰত থিয় হৈ আছিল ক্ষুধাৰ্ত এহাল মাক-পুতেক। দৃশ্যটো দেখি বাপুৰ মনত কিবা এটা অনুভৱ হৈছিল, যিটো সি ভাষাৰে বুজাব নোৱাৰে। মাধৱ চাৰে বিখ্যাত বিখ্যাত ছবিবোৰৰ দামবোৰ যেতিয়া সিহঁতক শুনাইছিল, সিহঁত আচৰিত হৈ পৰিছিল। অৱশ্যে সেই ছবিবোৰৰ একোটা বিশেষত্বও আছে। বাপুৰে ছবিখন ইমান ভাবি চিন্তি অঁকা নাছিল। মাত্ৰ এটা গতানুগতিক প্ৰক্ৰিয়া। ৰঙৰ ব্যৱহাৰ ভালদৰে হৈছে নে নাই নাইবা কি পদ্ধতিত ছবিখন অঁকা হৈছে সেইবোৰেই বাপুহঁতৰ মূললক্ষ্য।

মাধৱ চাৰে ছবিৰ দামবোৰৰ কথা কওঁতে বাপুৰ লগতে অন্য ছাত্ৰ-ছাত্ৰীবোৰও হতবাক হৈছিল যদিও ভ্যানগগৰ দৰিদ্ৰ জীৱনৰ কথা শুনি তাৰ চকু দুটা সেমেকি উঠিছিল। কিহৰ প্ৰেৰণাত চৰম দৰিদ্ৰতা, অপমান আৰু বিদ্ৰুপ সহ্য কৰিও ভ্যানগগ আৰু তেওঁৰ সমসাময়িক শিল্পী সকলে শিল্প সাধনা কৰিছিল সেই কথা ভাবিলে অঞ্জন অবাক হৈ পৰে। কৰবাত তাৰ পঢ়া মনত পৰে ক্লদমোনাৰৰ দৰে প্ৰতিভাবান শিল্পীয়ে ৰেলভাৰা সংগ্ৰহ কৰিব নোৱাৰি পুত্ৰ জন্ম সংবাদ শুনিও পুত্ৰৰ মুখ চোৱাৰ পৰা বঞ্চিত হৈছিল। কোনোবা এজনে চিকিৎসাৰ বাবত ভিজিট দিব নোৱাৰি ডাক্তৰক ছবি এখনকে দি দিছিল। লগে লগে বাপুৰ মনত পৰিল জন্মদিনৰ উপহাৰ হিচাপে দিব খোজা তাৰ ছবিখনৰ কথা। মনটো নিৰাশাই আক্ৰান্ত কৰা যেন লাগিল। তাৰ মনত পৰিল কামিল পিচাৰোৰ নিছিন। শিল্পীয়ে এটকাকৈ লটাৰীৰ টিকট বিক্ৰি কৰি পুৰস্কাৰ হিচাপে আগবঢ়াইছিল এখন ছবি। কিন্তু পুৰস্কাৰ লাভ কৰা ব্যক্তিজনে বোলে দোকানী এজনক ছবিখন দি দোকানৰ পৰা এটা পাওৰুটি নিছিল। সাধাৰণভাবে সি বহু শিল্পীৰ জীৱন সংগ্ৰামৰ বিষয়ে পঢ়িছে দুই এখন কিতাপৰ পৰা। তাৰোতো ৰং কিনিব আৰু আৰ্ট স্কুলৰ মাচুল দিবলৈ পইছাৰ জোৰা নমৰে। তথাপি কিয় ছবি আঁকি ভাল পায়। বাপুৰে মনে মনে নিজকে প্ৰশ্ন কৰিলে।

ভ্যানগগে জীৱিত কালত ছবি বিক্ৰি কৰি ধন উপাৰ্জন কৰিব নোৱাৰিলে। চৰম দৰিদ্ৰতা আৰু অৱহেলাৰ মাজত জীৱন তিলতিলকৈ শেষ কৰি দিলে। অথচ আজি, ভ্যানগগৰ এখন ছবিৰ দামে বিশ্বৰ সৰ্বকালৰ ৰেকৰ্ড ভংগ কৰিছে। কথাবোৰে তাৰ মনত তোলপাৰ লগালে।

বাপু বাস্তৱলৈ ঘুৰি আহিল। মাকে কোৱা কথাকেইষাৰে তাক চিন্তাত পেলালে। কাৰণ তাৰ ছবিখন বন্ধোৱা হোৱা নাই আৰু সি আজি পৰ্য্যন্ত নবন্ধোৱা ছবি উপহাৰ দিয়া দেখা নাই। বন্ধাবলৈ গলেও অতি কমেও পচিশ টকা লাগিব। অৱশেষত মাকৰ সিদ্ধান্ত মৰ্মে ছবিখন বাতৰি কাকত এখনেৰে ভালদৰে বান্ধি নিয়াটোকে যুগুত হব বুলি সি ভাবিলে। ভালকৈ কাপোৰ পিন্ধি সি আগবাঢ়িল।

ৰবাহঁতৰ ঘৰ বেচ জমি উঠা সি দূৰৈৰ পৰাই গম পালে। অস্ফুট কিছুমান অৰ্থহীন গুঞ্জন। এন্ধাৰ হৈ আহিছিল। ৰবাহঁতৰ ঘৰ

আহি পালে। লাজ আৰু সংকোচে তাক জুমুৰি ধৰা যেন অনুভৱ হ'ল। ঘৰলৈ উভতি যোৱাৰ কথা সি এবাৰ ভাবি চালে। কিন্তু পিচ মুহূৰ্ততে মাকৰ মুখখন তাৰ মনত ভাঁহি উঠিল। লগে লগে বাপুৰ মনত বিজুলী সঞ্চাৰ হৈ যোৱা যেন লাগিল। বৰাইঁতৰ চোতালৈ সি সোমাই গ'ল। চোতালত কিছু সময় থিয় দি ইফালে সিফালে চালে। বহু মানুহ। সুন্দৰ সুন্দৰ পোচাককেৰে কথা পাতি বহি আছে। এটা অস্তিত্ব বিহীন জীৱ যেন তাৰ অনুভৱ হ'ল। সি নিজকে প্ৰশ্ন কৰিলে- কিয় এক শ্ৰেণীৰ মানুহৰ সন্মুখত সিহঁতচাম অৰ্থহীন হৈ পৰে? কিহৰ পাৰ্থক্যই মানুহৰ মাজত এখন বিৰাট দেৱালৰ সৃষ্টি কৰে? বাপুৱে ওচৰতে খালি হৈ থকা চকী এখনত বহি পৰিল। তাৰ চৌপাশে থকা মানুহবোৰলৈ সি দৃষ্টি নিক্ষেপ কৰিলে। কিছু চিনাকি মুখ, কিছু অচিনাকি। হাতত থকা ছবিৰ মুঢ়াটো পুনৰ চুই চালে। আছে। ঠিকেই আছে। নিজক সংযত কৰি সি বহি পৰিল। হঠাতে পিচ পিনৰ পৰা কোনোবাই তাক স্পৰ্শ কৰা যেন অনুভৱ কৰিলে। সি ঘূৰি চালে। প্ৰশান্তই তাক পিচপিনৰ পৰা জোৰেৰে ঠেলি দিলে।

'ভিতৰ দৰে বহি আছা। কেতিয়া আহিলা?' প্ৰশান্তই কলে।

বাপুৱে প্ৰশান্তক নিৰীক্ষণ কৰিলে। দামী পোচাক। সি নিজৰ চোলাটো এনেয়ে এবাৰ চাৰি চালে। 'বেচি দেৰি হোৱা নাই।' বাপুৱে কলে। 'আহা, ভিতৰলৈ আহা। কিবা অলপ খাই লোৱা।' প্ৰশান্তই এক প্ৰকাৰ টানি নিলে ভিতৰলৈ। বাপুৱে ছবিখন হাতত ললে আৰু প্ৰশান্তৰ হাতত তুলি দিলে। প্ৰশান্তৰ দেউতাকে বৰুৱা ইঞ্জিনিয়াৰৰ লগত কথা পাতি থকা দেখা পালে। বৈণীয়েক আৰু লৰাটো থিয় হৈ আছে। প্ৰশান্তৰ দেউতাকে বাপুৰকালে ঘূৰি চালে আৰু হাতেৰে ইংগিত দি ওচৰলৈ মাতিলে। বাপুৱে প্ৰশান্তৰ দেউতাকৰ ওচৰত থিয় দিলে।

"ঐ লাট চাহাবৰ বেটা এতিয়াহে আহিব পালি নে? ইমান সময় ঘৰত কি খন কৰি আছিলি? মায়েৰাক দেখোন ৰাতিপুৱাই আহিব কৈছিলো, এতিয়ালৈকে দেখা দেখিয়েই নাই। বুইছ তই সোনকালে ঘৰলৈ গৈ মায়েৰাক পঠাই দিবি। কিবা এটা খাই ল। '...... নাই, মানে মাৰ সেই ৰাতিপুৱাৰ পৰাই মূৰৰ বিষ' সি দ্বিধা সংকোচৰ মাজেদি উত্তৰ দিলে। হঠাতে বৰুৱাৰ লৰাজনে ছবিৰ মুঢ়াটো প্ৰশান্তৰ হাতৰ পৰা থাপ মাৰি লৈ মানুহৰ মাজলৈ দৌৰ দিলে আৰু ছবিখন সকলোৰে আগত খুলি দিলে। সমগ্ৰ ঘটনাটি বাপুৱে তৰ্কিবই নোৱাৰিলে। সি এক অস্বাভাৱিক পৰিস্থিতিৰ মাজত সোমাই পৰা যেন অনুভৱ কৰিলে। লাজ সংকোচে তাক হেঁচি ধৰিলে। সকলো মানুহৰে দৃশ্যটিৰ ওপৰত চকু পৰিল আৰু কৌতুহল অনুভৱ কৰিলে। বৰুৱাৰ লৰাটিক ঘেৰি আন আন লৰাবিলাকে ছবিখন টনা টনি কৰিব ধৰিলে। কিবা এটা কৰাৰ আগতে বৰুৱাৰ লৰাটোৱে ছবি খনৰ এটা অংশ হস্তগত কৰিলে, আৰু সেই অংশটোকে আনি বাপুৰ হাতত তুলি দিলে। বৰুৱা আৰু বৈণীয়েকে বাপুৰ ওচৰত থিয় দিলে।

'বুইছা ভাইটি ইয়াক আৰু নোৱাৰি। বৰ উৎপতিয়া লৰা। অৱশ্যে বয়সও হোৱা নাইতো, বুজা হোৱা নাই।'

বাপুৰ গাত এখন হাত থৈ বৰুৱাই কলে 'এইটো লোৱাচোন।' এখন পাচ টকীয়া নোট বাপুৰ ফালে আগবঢ়াই আকৌ কলে, 'তুমি পাৰিবা বুজিচা, পাৰিবা। তোমাৰ হাত খন ছবি আঁকাৰ বাবে একেবাৰে নিখুঁট। আকৌ এই ধৰণৰ ছবি আঁকিবাচোন।'

বাপুৱে একে দৃষ্টিৰে চাই ৰল পাঁচ টকীয়া নোট খনৰ পিনে।

# জখলা

● মঃ আয়েজ আলী
স্নাতক ১ম বর্ষ কলা

ধীৰাজে ৰিক্সাৰ পৰা নামিল। ৰিক্সাচালকজনক ভাড়াটো দি সি লোহাৰ গেটখন খুলি ভিতৰলৈ সোমাই আহিল। ঘৰটোৰ সন্মুখত এলানি টাব বিভিন্ন ফুলৰ। মাজে মাজে দুয়োকাষত বিভিন্ন ৰঙৰ গোলাপৰ গছ। সুন্দৰ ভাবে ফুলিছে। পৰিবেশটো ধীৰাজৰ বেচ ভাল লাগিল। সি মনে মনে পংকজ আৰু অনিন্দাৰ ৰুচি শলাগিলে। লাহে লাহে সি ঘৰৰ পিনে আগুৱাব ধৰিলে। বাৰাণ্ডাত উঠি ধীৰাজে কলিং বেলটো বজাই দিলে। ভিতৰত এটা সুন্দৰ বাজনা বাজি উঠিল। কিছুসময় সি অপেক্ষা কৰিলে। দুৱাৰখন খোলাৰ শব্দ হ'ল। এজনী বাৰ তেৰ বছৰীয়া ছোৱালীয়ে ভয় মিশ্ৰিত শংকাৰে চকু দুটা মেলি ধীৰাজৰ মুখৰ পিনে সন্দেহ বিস্ময় দৃষ্টিৰে চাই থাকিল।

'অনিন্দা ঘৰত নাই ?' ধীৰাজে ছোৱালী জনীক সুধিলে। 'আনন্টি নাই। ৰণিক আৰ্টৰ ক্লাচলৈ নিছে।' দুৱাৰ খনৰ ফাঁকেৰে মুখখন উলিয়াই উত্তৰ দিলে।

'মই তেজপুৰৰ পৰা আহিছো।' ধীৰাজে লাহেকৈ ক'লে। 'ও, বুজিছো। আন্টিয়ে আপোনাৰ কথা কৈ গৈছে। আহক। কথাখিনি কৈ ছোৱালী জনীয়ে আধামেলা দুৱাৰখন খুলি দি. ড্ৰইং ৰুমত বহিবলৈ দিলে। ধীৰাজে চোফা খনত ক্লান্তিৰে বহি পৰিল আৰু চাৰিওফালে চকু ফুৰালে। ওৱালত দামী ৰঙৰ প্ৰলেপ। এখন ওৱালত দুটা পিত্তলৰ জাপি। ৰুমটোৰ এটা কোণত চানমাইকা লগোৱা এটা কিতাপৰ আলমিৰাহ। এনচাইক্লোপিডিয়া A ৰ পৰা Z লৈ। চিলিঙত এটা সুন্দৰ ইলেকট্ৰিক বাৱ। আন এখন ওৱালত দুখন তৰোৱাল সুন্দৰ ভাবে সজোৱা আছে। এখন অয়ল পেইন্টিং এজনী শিশু শ্ৰমিকৰ। আন এটা Show Case ত কালাৰ টি-ভি আৰু তলত ভি. চি. পি।

'আপুনি চাৰ অলপ সময় বহক। আন্টি আহিব।' কথাখিনি কৈ ছোৱালী জনী ভিতৰলৈ সোমাই গ'ল।

(২)

'অনিন্দাই ৰণিৰ সৈতে ঘৰত সোমাই ধীৰাজক দেখি চকু দুটা বহলকৈ মেলি ক'লে, 'হোৱাট প্লিজ্যাণ্ট, চাৰপ্ৰাইজ! কিমান সময় হ'ল ?'

ধীৰাজৰ হাঁহি উঠিল। 'বেছি সময় হোৱা নাই। মাত্ৰ আধা ঘণ্টা। তোমালোক দুয়োজন নিশ্চয় বেচ ব্যস্ত, অন্যাৰ কথা চিন্তা কৰাৰ সময় নাই।

আমাৰ তেজপুৰৰ পিনেতো চিৰদিনৰ বাবে বাট বন্ধই কৰি দিলো। সেয়ে মযে আহিলো"।

'কি কৰিবা, একদম বিজি। ৰনিক লৈ ব্যস্ত থাকিব লাগে। তুমি অলপ বহা দেই। মই ৰনিক ড্ৰেচ সলাই দি আহো। কথাখিনি কৈ অনিন্দা ভিতৰলৈ সোমাই গ'ল। ধীৰাজে পুনৰ আৰামেৰে চোফাত গাটো এৰি দিলে। অনিন্দাই চাহ একাপ লৈ ধীৰাজৰ ওচৰতে বহিল।

ধীৰাজে হাতত চাহ কাপ লৈ সুধিলে 'ৰনিৰ পঢ়া শুনা কেনে?'

'একৰকম। চাৰিৰ ভিতৰত থাকে।'

'টিউচন আছে নিশ্চয়?' ধীৰাজে সুধিলে 'ৰনিৰ ডেইলি ৰুটিন বিৰাট চাইজৰ। আঠটাৰ পৰা দুটালৈ স্কুল। তিনিটাৰ পৰা টিউচন আৰম্ভ হয়। সোম, মঙ্গল আৰু বুধবাৰে ইংৰাজী আৰু ম্যাথচ্। বৃহস্পতি, শুক্ৰ শনিবাৰ হিষ্ট্ৰি, জিয়ো অ্যাণ্ড আদাৰ চাবজেক্ট। স্কুলৰ চাবজেক্টৰ বাহিৰেও এক্সট্ৰা কেৰিকুলাৰ— এই ধৰা সাঁতোৰ, সংগীত, আৰ্ট, ৰিচাইটেচন ইত্যাদি।

'তাৰ মানে গোটেই সপ্তাহটো তুমি সম্পূৰ্ণ ব্যস্ত। বেচ ভাল লাগিল। Idle brain is the devil workshop.' কথাখিনি কৈ ধীৰাজে ডাঙৰকৈ হাঁহি দিলে।

হাঁহিছা! বিয়া কৰোৱাৰ পাচত ভালদৰে বুজিবা।' কথাখিনি কৈ অনিন্দাই বাহিৰৰ মটৰৰ শব্দৰ পিনে কাণখন থিয় কৰিলে। পংকজ আহিল।' কথাখিনি কৈ অনিন্দাই দুৱাৰখন খুলি দিলে।

'ধীৰাজ' কেতিয়া আহিলা? তোমাক ইয়াত দেখি ভুত দেখা দিলো। মোক অফিচত ফোন কৰিব পাৰিলাহেঁতেন।' পংকজে কথাখিনি কৈ বহি পৰিল।

ধীৰাজে পংকজৰ চেহেৰা নিৰীক্ষণ কৰিলে। কলেজত লগ পোৱাতকৈ বেছ ভাল হৈছে। গাত মেদ জমা হোৱাটো ধৰিব পাৰি। কলেজত পঢ়াৰ সময়ত তাৰ স্বাস্থ্য মধ্যমিয়া আছিল। পঢ়া শুনাত ভাল বুলি কব পাৰি। অৰ্থনীতিত স্থানীয় কলেজৰ পৰা প্ৰথম শ্ৰেণীৰ সন্মান লোৱাৰ পাছত A.C.S. পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ। আজি চৰকাৰৰ এটা গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত। পংকজৰ ঘৰৰ অৱস্থা মোটামতি ভাল। দেউতাক মতিলাল বৰুৱা মাটিবাৰী থকা গাওঁৰ আঢ্যৱন্ত সন্মানীয় ব্যক্তি আছিল। দুজন পুতেক। ডাঙৰ পুতেক শৰৎ বৰুৱা গাঁওৰে হাইস্কুলখনৰ শিক্ষক। ধীৰাজে জানিব পাৰিছে যে পংকজৰ গাঁওৰ মাটি বাৰীৰ ভাগবটোৱাৰা লৈ দুয়োৰে মাজত বিবাদ হৈছিল। পংকজে তাৰ অংশটো বিক্ৰী কৰি গুচি আহিছে। বৰ্ত্তমান গাঁৱৰ লগত তাৰ সম্পৰ্ক নাই বুলিলেই হয়।

পংকজে আহি ধীৰাজৰ ওচৰতে গাটো এৰি দি চোফাখনত বহিল।

'অফিচৰ কামত বিৰাট ব্যস্ত থাকিব লাগে। বহুত কাম। D.R.D. বিভাগটোৰ কথাটো তুমি জানাই। কিমান জামেলা। টকা পইচাৰ লেঠা। আহি ভালেই কৰিলা।' কথাখিনি কৈ পংকজে চকু দুটা মুদি দিলে।

ধীৰাজে পংকজক পুনৰ নিৰীক্ষণ কৰিলে। এইজনে পংকজ, যিজনে কলেজত দপদপাই আছিল। সকলো দিশত। কিমান ৰাজহুৱা দিশত সি জড়িত আছিল। সেই সময়ৰ সকলো আন্দোলনতে সি আছিল আগৰনুৱা কলেজৰ

অধ্যক্ষ জনৰ দুৰ্নীতিকলৈয়ো সি কলেজখন বিৰাট গৰম কৰি তুলিছিল। ধীৰাজে পুনৰ পংকজৰ মুখৰ পিনে চালে। সেই শক্তি আজি তাৰ নাই। বৰ্ত্তমান সি এবিধ নতুন শক্তি সঞ্চয় কৰিছে। সেই শক্তি সফল ভাবে প্ৰয়োগ কৰি সি নিজৰ সাম্ৰাজ্যৰ চাৰিসীমা সুৰক্ষা আৰু গজ গজিয়া কৰাত সফলতা লাভ কৰিছে। এই ক্ষেত্ৰত ইতিমধ্যে বিশেষ সফলতাও লাভ কৰিছে। ইয়াৰ ইংগিত পোৱা যায় তাৰ জীৱন নিৰ্বাহ পদ্ধতি আৰু সামাজখনৰ গতি অনুধাবন কৰিলে। বেছিভাগ মানুহে নিশ্চয় প্ৰচলিত কলুষিত পৰিবেশৰ ওপৰত হাৰ মানিবলৈ বাধ্য হয়। অৱশ্যে বহুত ব্যক্তিয়ে প্ৰচলিত চাপক প্ৰতিৰোধ কৰিব পাৰে। কাৰণ তেওঁলোকে কথা আৰু কামৰ মাজত ব্যৱধান গঢ়িব সুবিধা নিদিয়ে। ধীৰাজে পংকজৰ মুখৰ পিনে সহানুভূতিৰে চাই কথাখিনি চিন্তা কৰিলে।

ধীৰাজ অলপ বহা। মই অলপ ফ্ৰেচ হৈ আহো। আজি ৰাতিলৈ জমাব লাগিব।'

( ৩ )

'তোমাৰ যে আজি পলম হ'ল! মন্ত্ৰীৰ লগত কাম আছিল নেকি?' অনিন্দাই পংকজৰ মুখৰ পিনে চাই প্ৰশ্ন কৰিলে।

'নাই, অফিচত বিশেষ কাম নাছিল। ৰনিৰ কুইজ কম্পিটিচনৰ বাবে এখন ফৰ্ম আনিলো। খবৰটো প্ৰবীন চৌধুৰীয়ে মোক দিলে। তেখেতেও ডেভিডৰ বাবে এখন আনিছে। ৰনি ক'ত গ'ল? ধীৰাজৰ লগত চিনাকি হৈছে নে নাই?' পংকজে কথা কোৱাৰ মাজত ৰনি আহি তেওঁৰ ওচৰত ঠিয় হ'ল।

'কাম হিয়েৰ। চিট ডাউন। এওঁক চিনি পাইছা?

আংকুল, ধীৰাজ। মোৰ প্ৰিয় বন্ধু। খুব ভাল গল্প ক'ব পাৰে। বহুত কিতাপ পঢ়িছে।'

'হাই আংকুল।' খুব মিহি কণ্ঠত ৰনিয়ে কথাখিনি ক'লে। ইতিমধ্যে অনিন্দাই হাতত এটা গিলাচ লৈ ৰনিৰ ওচৰত থিয় দিলে।

'আগতে ৰনিক হৰলিক্স চকলেট দিও। তাৰ পাছত তোমালোকৰ কাৰণে চাহ।

'হৰলিক্স চকলেট কিয়?' ধীৰাজে প্ৰশ্ন কৰিলে।

নতুন ওলাইছে। খুব ভাল ভিটামিন। ইয়াৰ লগত প্ৰটিন, মিনাৰেল আদি থাকে। মেমোৰি ষ্ট্ৰং কৰে। গোটেই দিনটো ৰনি মেণ্টেলি বিজি থাকেতো। গতিকে তাৰ নাৰ্ভ শক্তিশালী কৰাৰ বাবে প্ৰত্যেক দিনে এগিলাচ কৈ হৰলিক্স চকলেট খুৱাও।' কথাখিনি কৈ অনিন্দা পাকঘৰলৈ সোমাই গ'ল।

'আংকল, তুমি চুপাৰ-মেনৰ গল্প জানা?'

ধীৰাজে মূৰটো সৰাই উত্তৰ দিলে।

'টিনটিনৰ গল্প?'

ধীৰাজে পুনৰ আগৰ দৰে সঁহাৰি দিলে।

'তেতিয়াহলে তুমি কি গল্প পঢ়িছা?

'মই বেতাল, ৰামায়ণ, মহাভাৰত আদিৰ গল্প পঢ়িছো।

.এইবোৰ গল্প মোৰ ভাল নালাগে। কোনো থ্ৰিলিং নাই। চুপাৰ মেনটো চুপাৰ:'

ৰনিৰ কথা শুনি মুখত এমোকোৱা হাঁহিৰে পংকজে ক'লে, 'আংকলে তোমাক কি বিক্ৰমাদিত্যৰ গল্প ক'ব। এতিয়া নহয়-দেই। আংকলেতো চাহ খোৱা নাই। বৰং তুমি ষ্টোৰি টেলিং ক্লাচত লোৱা গল্পটো আংকলক কোৱা।' পংকজে কথাখিনি কৈ উত্তৰৰ বাবে অপেক্ষা কৰিলে। ইতিমধ্যে অনিন্দাই চাহ লৈ উপস্থিত

হ'ল। চাহ টেবুলত থৈ ৰণিৰ গাত হাত এখন থৈ লাহেকৈ জোঁকাৰি দিলে, ৰণি সেই গল্পটি, 'দেয়াৰ ওৱাজ অ্যা ফেয়াৰ ফুল ড্ৰেগন, হু কেপ্ট কামিং টু চাৰ্টেন ভিলেজ আণ্ড হটিং আপ দ্য ভিলেজ ফোক্।

বিৰাট শব্দ কৰি ধীৰজে হাঁহি দিলে। 'তোমাৰতো সকলো মুখস্থ। চুপাৰ মিচ হৈ পৰিছা।'

ধীৰাজৰ বক্তব্যত পুলকিত হৈ অনিন্দাই পংকজৰ মুখৰ পিনে চাই ক'লে; 'মইতো বিনা পইছাৰ মিচ। ৰাতি ৯টা পৰ্য্যন্ত বিনা পইচাৰ টিউচন চলাব লাগে। বেলেগ হ'লেতো তিনিশ টকা মাহত ইনকাম কৰিব পাৰিলেহেঁতেন। তিনিশ টকা কি হাৰত হে ?" পংকজে সুধিলে।

'চোৱা, মিচে সপ্তাহত ৰণিক তিনিদিনকৈ পঢ়ুৱাই পায় দেৰশ টকা। মই সপ্তাহত ছয়দিন পঢ়ুৱাই তিনিশ টকা নেপাম কিয় ?'

কথা কোৱাৰ পাছত তিনিজনৰ হাঁহিত ঘৰটো ৰজন-জনাই উঠিল। 'ৰণি আংকুলক বিচাইটেচন শুনোৱা।'

লগে লগে সি দুটা ইংৰাজী কবিতা আবৃত্তি কৰি শেষ ক'ৰিলে। পংকজ আৰু অনিন্দাই হাত তালি দি ৰণিক অভিনন্দন জনালে।

চিগাৰেট এটা জ্বলাই পংকজে সুবিধা ক'ৰি চোফাখনত বহি ললে। 'ওৱেল। দিচ-টাইম আংকুলক এটা ডেন্স দেখুওৱা।'

ধীৰাজে বুজিব পাৰিলে যে এইটো ৰণিৰ ৰুটিন মাফিক ,ডেমনষ্ট্ৰেচন। ঘৰলৈ অহা আংকুল আণ্টি' সকলোকে নিত্য নৈমিত্তিক হিচাপে এইবোৰ প্ৰদৰ্শন কৰে।

'তু চিঝ বড়ি হে মস্ত মস্ত ..........., গাই গাই বিচিত্ৰ ভঙ্গিমাৰে ৰণিয়ে নৃত্য কৰিব ধৰিলে। ভাগৰ লাগিলেও তাৰ মুখত এটা বিজয়ৰ চিহ্ন পৰিলক্ষিত হোৱা ধীৰাজে দেখিব পালে।

'বাৰু ৰণি, তুমি চিৰিয়াখানালৈ গৈছানে ?'

'ইয়েচ্, আংকুল। লাষ্ট ডিচেম্বৰত আমাৰ ক্লাচৰ সকলোৱে চাৰৰ লগত ভিজিট কৰিছিলো।' আত্ম প্ৰত্যয়েৰে ৰণিয়ে উত্তৰ দিলে।

'জানোৱাৰ, পক্ষী আৰু গছ বিলাক দেখি তোমাৰ নিশ্চয় ভাল লাগিছিল ?'

'ইয়েচ ভেৰি ইন্টাৰেষ্টিং। আমি সকলোৱে সেই দিনটো এনজয় কৰিছো।'

তুমি তাত নিশ্চয় বহুত শামুকৰ খোলা দেখিছা ?'

শামুকৰ খোলা ? দেখিছো। ইংৰাজীত আনাষ্টোমাচ ওচ মিট্যানচ।

হাউট একমিটাৰতকৈ কম।

'ময়ুৰ দেখিছা ?'

'ইয়েচ আংকুল, প্যাভো ক্ৰিষ্টাটাচ। ইংৰাজীত পিকক। পিকক সৰু পাৰ্বত্য অঞ্চলত থাকে।'

'বাৰু বুজিছো। ঘৰ-চিৰিকা, হাউটল, কপৌ, হাৰগিলা, হজ্ৰ আদি দেখিছা কৰবাত ?'

ধীৰাজৰ প্ৰশ্নত বিজয় গৌৰৱৰ যতি পৰা যেন অনুমান হ'ল। সি বিব্ৰত অনুভৱ কৰি মাক আৰু বাপেকৰ মুখলৈ চালে। কিছু সময়ৰ পাছত সি ইফালে সিফালে ক'ৰি ধীৰাজক সুধিলে, 'এই চৰাই বিলাক ক'ত পোৱা যায় আংকুল ?' 'ইহঁত গাৱত থাকে। নদীৰ পাৰত। বালিত খেলা মেলা কৰে। গাওঁ মানে কাণ্ট্ৰি, চাইড্। কাণ্ট্ৰি চাইডলৈ কেতিয়াবা গৈছা ? কাণ্ট্ৰি চাইডত কিমান সুন্দৰ দৃশ্য—, সৰু নদী,

সৰু পাহাৰ, খাল বিল, য'ত সৰু সৰু মাছ বিলাকে খেলা কৰি থাকে। অৱশ্যে টাউনৰ কান্ট্ৰি চাইডৰ ৰাস্তা ঘাট ভাল নহয়। বোকাময়, লাল মাটি। জোতা পিন্ধিব নোৱাৰি। বোকা লাগে। তথাপি গান্ধীজীয়ে গাঁৱক ভাৰতৰ আত্মা বুলি অভিহিত কৰিছে।' কথাখিনি কৈ ধীৰাজে গানৰ কলি এটা গুণ-গুণালে, 'বন্ধু সময় পালে আমাৰ ফালে এবাৰ আহি যাবা; ও এবাৰ আহি যাবা ''...........''।'

ইমান সময় ধীৰাজ ৰণিৰ মাজত চলা প্ৰতিযোগিতা খন পংকজ আৰু অনিন্দাই নিৰীক্ষণ কৰি থকাত দুয়োৰে মুখমণ্ডলত প্ৰতিক্ৰিয়া মাজে মাজে ফুটি উঠিল। তাৰে মাজতে পংকজে মাত দিলে, 'ধীৰাজ, তুমি ৰণিৰ এক্সটেম্পোৰৰ পৰীক্ষা কৰা। "এই ক্ষেত্ৰত আমাৰ ৰণি মাৰ্ভেলাচ। জি. কে'ত পাৰ্গত। বহু প্ৰতিযোগিতাত পুৰস্কাৰ পাইছে। ৰণি তোমাৰ প্ৰাইজ বিলাক আংকুলক দেখুৱা"

কথাখিনি শুনি ৰণি লগে লগে ভিতৰলৈ দৌৰি যোৱাৰ দৰে ভিতৰলৈ সোমাই গ'ল। অলপ পিচত হাতত কেইবাটাও কাপ আৰু কিতাপ দুয়োহাতেৰে আনি উপস্থিত হ'ল আৰু এটা এটাকৈ প্ৰাইজবোৰ ধীৰাজক দেখুৱাই বুজাই দিব ধৰিলে। পংকজ আৰু অনিন্দাই মিচিকি মাচাক হাঁহি দুয়োৰে ফালে চাই থাকিল।

"ৰণি লণ্ডন মহানগৰী কোন নদীৰ পাৰত অবস্থিত" হঠাৎ পংকজে মাত দিলে।

''টেমছ নদীৰ"

"এবচলিউটলি ৰাইট. কোন চনত বংগ বিভাজন হৈছিল ?

''১৯০৫ চনত"

"চলমান ৰুচদিৰ বিতৰ্ক মূলক উপন্যাস খনৰ নাম কি"?

"চাটানিক ভাৰ্চেজ"

পৃথিৱীৰ আটাইতকৈ দীঘল প্লেট-ফৰ্মটি ক'ত অবস্থিত ?

''পশ্চিম বংগৰ খৰগ.পুৰত। ইয়াৰ দীঘ ২৭৩৩ ফুট।"

পৃথিৱীৰ আটাইতকৈ দামী হোটেল ঘৰটিৰ নাম কি ?

"টেক্সাচৰ হিলটন নগৰীত এ্যাক্সোওৱাৰ্লড ''হোটেলৰ দহতলা চিলেচ-চিয়াল স্যুতৰ দৈনিক ভাড়া আঢ়ৈ হাজাৰ ডলাৰ"

পংকজৰ ধাৰাবাহিক আৰু গতানুগতিক প্ৰশ্নবোৰৰ ৰণিয়ে উত্তৰ দিয়া কাৰ্যাত ধীৰাজে বিশেষ প্ৰতিক্ৰিয়া নেদেখুৱালে। ধীৰাজে লাহেকৈ মাত দিলে, 'ৰণি মই তোমাক দুটামান নতুন প্ৰশ্ন কৰিম। তাৰ পাছত প্ৰশ্নবোৰৰ পালা শেষ।'

কপৌফুল কোন চিজনত ফুলে ?'

ৰণি প্ৰশ্ন শুনি অবাক। তাৰ চকুমুখত নিসহায়তাৰ চিন প্ৰকট হৈ উঠিল। বাপেকৰ ফালে হতাশ দৃষ্টিৰে সি চালে। 'বসন্ত কালত। বহাগ বিহুত বিহুৱতী নাচনীয়ে খোপাত লয়। বহাগ বিহুক অসমীয়াক জাতীয় উৎসৱ বোলা হয়।'

'নেক্সট্, উত্তৰ দিয়া। অসমীয়া সাহিত্যত কোনজন লেখকক সাহিত্যৰথী বোলা হয়।' ধীৰাজৰ দ্বিতীয় প্ৰশ্নটিয়েও ৰণিক পুনৰ নিবস্ত্ৰ কৰিলে।

'আংকুল তোমাৰ প্ৰশ্নটি আমাৰ জি. কে. ত নাই।

লক্ষ্মীনাথ বেজবৰুৱাক অসমীয়া ভাষাৰ সাহিত্যৰথী বোলা হয়। অসমীয়া ভাষা সাহিত্যৰ